**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে কুৱালালামপুৰলৈ যাব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি চত্তিশগড়ৰৰ জগদলপুৰত জনজাতীয় সাংস্কৃতিক মহোৎসৱ **বাষ্টৰ পণ্ডুম ২০২৬** উদ্বোধন কৰিব।

৩। মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ কয়লা খনিত বিস্ফোৰণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২৫ লৈ বৃদ্ধি পাইছে।

৪। চত্তিশগড়-মহাৰাষ্ট্ৰ সীমান্তৱৰ্তী এলেকাত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত জ্যেষ্ঠ কামাণ্ডাৰ প্ৰভাকৰকে ধৰি ৭ জন মাওবাদী নিহত হয়। ***আৰু***

৫। ১৯ বছৰ অনূৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে অভিলেখসংখ্যক ছবাৰৰ বাবে খিতাপ দখল কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে কুৱালালামপুৰলৈ যাব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণকালত দুয়োখন দেশে ব্যাপক কৌশলগত, সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে বিভিন্ন বিষয়ত পৰ্যালোচনা কৰিব। মালয়েছিয়াত থকা ভাৰতৰ উচ্চায়ুক্ত বি এন ৰেড্ডীয়ে কয়, যে দুয়ো পক্ষই বাণিজ্য আৰু অৰ্থনীতি, উন্নত প্ৰযুক্তি, সামুদ্ৰিক নিৰাপত্তা শক্তিকে ধৰি গুৰুত্বপূৰ্ণ খণ্ডসমূহত আলোচনা কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পূবৰ সচিব পি কুমাৰানে এই ভ্ৰমণ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয় যে এইবেলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তৃতীয়বাৰলৈ মালয়েছিয়া ভ্ৰমণ কৰিব। ২০২৪ চনৰ আগষ্টত মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীগৰাকীৰ চৰকাৰী ভ্ৰমণৰ সময়ত উভয় দেশৰ মাজত দ্বিপাক্ষিক মিত্ৰতাক সৰ্বাত্মক কৌশলগত মিত্ৰতালৈ উন্নীত কৰাৰ ডেৰ বছৰৰ পাছত প্ৰধানমন্ত্ৰী মোদী পুনৰ মালয়েছিয়া ভ্ৰমণলৈ ওলোৱা বুলি তেওঁ প্ৰকাশ কৰে। সচিবগৰাকীয়ে লগতে কয়, যে এই ভ্ৰমণে আছিয়ান অঞ্চলৰ সৈতে মিত্ৰতা শক্তিশালী কৰাৰ সুযোগ দিব। ভ্ৰমণকালত শ্ৰীমোদীয়ে মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনৱাৰ ইব্ৰাহিমৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। কাইলৈ প্ৰতিনিধি পৰ্যায়ৰ বৈঠক আৰু বুজাবুজিৰ চুক্তি বিনিময়ৰ সম্ভাৱনা আছে। এই ভ্ৰমণৰ সৈতে সংগতি ৰাখি দশম ভাৰত-মালয়েছিয়া চি ই অ' মঞ্চৰ বৈঠকো অনুষ্ঠিত হোৱাৰ কথা।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি চত্তিশগড়ৰৰ জগদলপুৰত জনজাতীয় সাংস্কৃতিক মহোৎসৱ **বাষ্টৰ পণ্ডুম ২০২৬** উদ্বোধন কৰিব। তিনিদিনীয়াকৈ আয়োজন কৰা এই মহোৎসৱত জনজাতীয় সম্প্ৰদায়সমূহৰ জীৱনশৈলী, বিশ্বাস, ৰীতি-নীতি তথা বৰ্ণাঢ্য সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। লোককলা, থলুৱা পৰম্পৰা আৰু পৌৰাণিক ৰীতি-নীতিৰে সমৃদ্ধ **বাষ্টৰ পণ্ডুম** মহোৎসৱৰ জনজাতীয় লোকসকলৰ পৰিচয়, গৌৰৱ আৰু ঐতিহ্য শক্তিশালী কৰাৰ উল্লেখনীয় মঞ্চ হিচাপে বিবেচিত হৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত

শ্ৰীমতী মুৰ্মুৰ লগতে চত্তিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকা, মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাই, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী তোশন ছাহোকে ধৰি আন কেইবাগৰাকী মন্ত্ৰী উপস্থিত থকাৰ কথা।

ooooo

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কক' অঞ্চলৰ মিনশ্বিংগাতত কয়লা খনিত বিস্ফোৰণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২৫ লৈ বৃদ্ধি পাইছে। উদ্ধাৰকাৰী দলে যোৱা নিশা চলোৱা অভিযানত চাৰিজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰে। বৰ্তমানলৈকে উদ্ধাৰ কৰা ১৭টা মৃতদেহ চিনাক্ত কৰা হৈছে আৰু যাৱতীয় আইনী ব্যৱস্থা সম্পূৰ্ণ কৰাৰ পাছত পৰিয়ালৰ লোকক মৃতদেহ চমজাই দিয়া হৈছে। এই ঘটনাৰ সৈতে জড়িত দুজনক গ্ৰেপ্তাৰ কৰি কালি আদালতত হাজিৰ কৰোৱা হয়। দুয়োজন লোকক তিনিদিনৰ বাবে আৰক্ষীৰ জিম্মাত ৰখা হৈছে। আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰখাৰ লগতে ইয়াৰ সৈতে জড়িত আন সকলক চিনাক্ত কৰাৰ বাবে অভিযান চলাই আছে।

ooooo

চত্তিশগড়-মহাৰাষ্ট্ৰ সীমান্তৱৰ্তী ভাম্ৰাগড় তালুকৰ ফুড়েৰাড়া গাঁৱৰ সমীপত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত জ্যেষ্ঠ কামাণ্ডাৰ প্ৰভাকৰকে ধৰি ৭ জন মাওবাদী নিহত হয়। চি-চিক্সটি কামাণ্ডো, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু তাৎক্ষণিক সঁহাৰি বাহিনীয়ে যোৱা ৩ ফেব্ৰুৱাৰীত যুটীয়াভাৱে মাওবাদীৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছিল। জ্যেষ্ঠ মাওবাদী কামাণ্ডাৰ, তেলেংগানাৰ কামাৰেড্ডীৰ নিবাসী প্ৰভাকৰৰ শিৰৰ মূল্য ২৫ লাখ টকা ধাৰ্য কৰা হৈছিল। সুৰক্ষা বাহিনীয়ে ঘটনাস্থলীৰ পৰা তিনিটা এ কে ৪৭ ৰাইফল, এটা এছ এল আৰ আৰু এটা ৩০৩ ৰাইফল উদ্ধাৰ কৰে। অভিযানত চ-চিক্সটি কামাণ্ডোৰ এজন জোৱান দীপক ছিন্না মাদৰীৰ মৃত্যু হোৱাৰ লগতে আন এজন জোৱান গুৰুতৰভাৱে আহত হয়।

ooooo

কেৰালাৰ কোচিত আজি তৃতীয় আন্তৰ্জাতিক শক্তি মহোৎসৱ অনুষ্ঠিত হ'ব। শক্তিখণ্ডত কেৰালা স্বনিৰ্ভৰশীল হোৱা আৰু বহনক্ষম সেউজ ভৱিষ্যতৰ উদ্দেশ্য আগত ৰাখি এই মহোৎসৱ আয়োজন কৰা হৈছে। শক্তিমন্ত্ৰী কে কৃষ্ণকুট্টীযে মহোৎসৱৰ উদ্বোধন কৰিব। কেৰালা বিশ্ববিদ্যালয় চৌহদৰ মীন আৰু সাগৰীয় অধ্যয়ন প্ৰাংগণত হ'বলগীয়া এই অনুষ্ঠানত বিধায়ক কে বাবুয়ে সভাপতিত্ব কৰিব। শক্তি ব্যৱস্থাপনা কেন্দ্ৰই ভৱিষ্যতৰ শক্তি সবলীকৰণ বিষয়বস্তুৰে মহোৎসৱৰ আয়োজন কৰিছে।

ooooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহ আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে চত্তিশগড়লৈ যাব। এই ভ্ৰমণকালত শ্ৰীশ্বাহে ৰাজ্যখনৰ অন্তৰ্বৰ্তী সুৰক্ষাৰ সৈতে জড়িত কাৰ্যসূচীত অংশ লোৱাৰ উপৰি বাওপন্থী উগ্ৰবাদৰ পৰ্যালোচনা কৰিব। তেওঁ লগতে উন্নয়নমূলক আলোচনা কৰা সাংস্কৃতিক অনুষ্ঠানতো ভাগ ল'ব। ভ্ৰমণৰ প্ৰথম দিনা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰায়পুৰত ৰাজ্যখনৰ শীৰ্ষ বিষয়াসকলৰ সৈতে প্ৰশাসনিক আৰু সুৰক্ষা সম্পৰ্কীয় বিষয়ত আলোচনাত মিলিত হ'ব। কাইলৈ তেওঁ বাওপন্থী উগ্ৰবাদ সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰিব। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়া তথা সুৰক্ষা সংস্থাসমূহৰ প্ৰতিনিধিসকলে এই বৈঠকত অংশ ল'ব। কাইলৈ সন্ধিয়া শ্ৰীশ্বাহে **ভাৰত প্ৰকাশন** নামৰ এটা সংস্থাই আয়োজন কৰা CHATTISGARH @ 25 : SHIFTING THE LENS শীৰ্ষক ৰাষ্ট্ৰীয় সন্মিলনত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে বাস্তৰ জিলাৰ জগদলপুৰত অনুষ্ঠিত বাস্তৰ পণ্ডুম মহোৎসৱৰ সামৰণি অনুষ্ঠানতো অংশ ল'ব।

০০০০০

১৯ বছৰ অনূৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে অভিলেখসংখ্যক ছবাৰৰ বাবে খিতাপ দখল কৰিছে। জিম্বাব'ৱেৰ হাৰাৰেত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতে-কালি ইংলেণ্ডক ১০০ ৰানত পৰাস্ত কৰে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ৪১১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ বৈভৱ সূৰ্যবংশীয়ে ৮০টা বলত ১৭৫ ৰান কৰাৰ লগতে আয়ুষ মাহাত্ৰে ৫৩ আৰু অভিজ্ঞান কুন্দুৱে ৪০ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ হৈ জেমছ মিণ্টুৱে তিনিটা উইকেট দখল কৰাৰ লগতে চেবাষ্টিয়ান ম'ৰগান আৰু এলেক্স গ্ৰীনে দুটাকৈ উইকেট দখল কৰে।

প্ৰত্যুত্তৰত ইংলেণ্ডে ৪০ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ কেলেব ফেলক'নাৰে সৰ্বাধিক ১১৫ আৰু বেন ডকিন্সে ৬৬ ৰান কৰে। ভাৰতৰ আৰ এছ অম্বৰিছে তিনিটা আৰু দীপেশ দেবেন্দ্ৰন আৰু কনিষ্ক চৌহানে দুটাকৈ উইকেট লাভ কৰে। বৈভৱ সূৰ্যবংশীক প্লেয়াৰ অৱ দা মেচ আৰু প্লেয়াৰ অৱ দা ছিৰিজ ঘোষণা কৰা হয়। ১৯ বছৰ অনূৰ্ধ ক্ৰিকেট বিশ্বকাপৰ ফাইনেলত সৰ্বাধিক ৰান কৰা আয়ুষ মাহাত্ৰে নেতৃত্বাধীন ভাৰতীয় দলটোৰ বাবে এয়া হৈছে ঐতিহাসিক জয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়া আৰু লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীকে ধৰি বিভিন্নজনে এই জয়ৰ বাবে ভাৰতীয় দলক শুভেচ্ছা জনাইছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে অভিলেখ সংখ্যক ছবাৰৰ বাবে খিতাপ দখল কৰা তথা সমগ্ৰ প্ৰতিযোগিতাখনত অপৰাজিত হৈ থকাৰ বাবে ভাৰতীয় দলক অভিনন্দন জনায়। শ্ৰীমতী মুৰ্মুৱে প্ৰতিভাৱান যুৱ খেলুৱৈসকলক উজ্বল ভৱিষ্যত কামনা কৰে। প্ৰধান নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ প্ৰতিযোগিতাখনত ভাৰতীয় খেলুৱৈসকলক অসাধাৰণৰ প্ৰতিভাৰ শলাগ লয়। এই জয়ে দেশৰ আন যুৱ খেলুৱৈসকলক অনুপ্ৰেৰণা যোগাব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০

সমাপ্ত